জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৮৬/২০২২**

# উচ্চতৰ মাধ্যমিক বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকললৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ২৭ জুন ঃ** আজি ফলাফল ঘোষিত হোৱা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত ২০২২ বৰ্ষৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ পৰীক্ষাত স্থান লাভ কৰা সকলৰ লগতে উত্তীৰ্ণ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকললৈ অভিনন্দন জ্ঞাপন কৰিছে।

এক বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে উচ্চতৰ মাধ্যমিক পৰীক্ষা শিক্ষা জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ। ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ পৰিশ্ৰম আৰু সাধনাৰে কৰ্মপথাৰত নিয়োজিত হোৱা বাবে সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই পৰীক্ষাত উত্তীৰ্ণ সকলো বিদ্যাৰ্থীয়ে নিজৰ প্ৰতিভাৰ পৰিচয় দেখুৱাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভৱিষ্যতেও একে নিষ্ঠা, অধ্যৱসায়, একাগ্ৰতা আৰু প্ৰজ্ঞাৰ সাধনাৰে সফলতাৰ ধাৰা অব্যাহত ৰাখিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক মনোভাৱেৰে আগুৱাই গৈ নিজৰ দক্ষতা প্ৰদৰ্শন কৰাৰ লগতে একো একোগৰাকী প্ৰতিভাসম্পন্ন মানৱ সম্পদ হিচাপে নিজকে যাতে গঢ়ি তুলিব পাৰে সেই দিশতো তেওঁলোকে আত্মনিয়োগ কৰিব লাগিব। শিক্ষাৰ্থীসকলে নিজকে এগৰাকী সু-নাগৰিক হিচাপে গঢ়ি তোলাৰ উপৰি এটা মূল্যবোধ সম্পন্ন জীৱন গঢ়াৰ বাবে দৃঢ়তাৰে আগবাঢ়ি যাব লাগিব।

মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত আশানুৰূপ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম নোহোৱা ছাত্ৰ-ছাত্ৰীসকলক অধিক নিষ্ঠা আৰু একগ্ৰতাৰে অধ্যয়নত ব্ৰতী হৈ পৰৱৰ্তী পৰ্যায়ত সফলতা কঢ়িয়াই আনিবলৈও আহ্বান জনায়।

**পুঃডেঃ**
**২৭/০৬/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in